# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 12-05 Hrs

# Assamese Midday Bulletin

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত আজি নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সৰুসজাই ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে  মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিছে। নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে বিতৰণ কৰিবলগীয়া সৰুসজাই ষ্টেডিয়ামত আজি এই নতুন ৰেচন কাৰ্ডসমূহৰ কামৰূপ মহানগৰৰ জালুকবাৰী, গুৱাহাটী মধ্য বিধানসভা সমষ্টিৰ লোকৰ বাবে প্ৰদান কৰা হ'ব।  নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হ'ব।

খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব।

০০০

গোৱালপাৰা জিলাৰ ৰামপুৰত অৱস্থিত বাদুংদুপ্পা কলাকেন্দ্ৰৰ **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক ৩ দিনীয়া নাট মহোৎসৱৰ আজি আৰম্ভ হৈছে। বিশিষ্ট চিত্ৰশিল্পী ৰবীৰাম ব্ৰহ্মই আজি পুৱা নাট সমাৰোহৰ শুভাৰম্ভ কৰে। বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই প্ৰাণ প্ৰতিষ্ঠা কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই ব্যতিক্ৰমী নাট ধাৰাৰে বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শ শ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলৰ মাজত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত মাইক তথা যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত কৰা হয়। থলুৱা সা-সজুলী আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে আগত ৰাখি বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত এইবেলি কেন্দ্ৰটোৰ লগতে ওদালগুৰি, পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলে নাট পৰিবেশন কৰিব। আজি পুৱাৰ ভাগত দদান ৰজা নামৰ ৰাভা  ভাষাৰ নাটখন পৰিবেশন হৈছিল। দিনৰ আঢ়ৈ বজাত   বড়ো ভাষাৰ নাট মংলি মঞ্চস্থ কৰা হ'ব।

০০০

অসম চৰকাৰৰ বিত্তীয় বিভাগৰ উদ্যোগত অৰুণোদয় পযেক আঁচনিৰ অধীনত আজিৰে পৰা ২৮ ডিচেম্বৰলৈ নিৰপেক্ষ আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে যোগ্য বিবেচিত পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। বিত্তীয় সাহায্যৰ বাবে যোগ্য হিতাধিকাৰী বাছনিৰ উদ্দেশ্যে এই দুসপ্তাহজোৰা অৰুণোদয় পযেক আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ হিতাধিকাৰী হ'বলৈ আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে বৰ্তমান অসমতে বাস কৰা হ'ব লাগিব।

আনহাতে আবেদনকাৰীৰ আধাৰ সংযুক্ত বৈধ ৰেচন কাৰ্ড থকাটো প্ৰয়োজনীয়। এই আঁচনি লাভ কৰিবলৈ বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত, অকলশৰীয়া মহিলা, তৃতীয় লিংগ, দিব্যাংগ ব্যক্তি, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বৃদ্ধা, ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰীসকলে আবেদন কৰিব পাৰিব।

০০০

অহা ২৯ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া টেট তথা নিযুক্তি পৰীক্ষা ২০২৪ ৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই বি এন এছ্ এছৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত এই দিনটোত জিলাখনত প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা অনুসৰি পৰীক্ষাৰ্থী, স্ক্ৰাইবসকল আৰু পৰীক্ষা অনুষ্ঠিত কৰা তথা পৰীক্ষাৰ নিৰীক্ষণৰ দায়িত্বত থকা কৰ্মচাৰীসকলৰ বাবে পৰীক্ষা কেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত কোনো লোক সমবেত হ'ব নোৱাৰিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত মোবাইল ফোন, যিকোনো ইলেকট্ৰনিক সামগ্ৰী আদি পৰীক্ষা হলৰ ভিতৰলৈ নিব নোৱাৰিব।

০০০

গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, চক্ৰেশ্বৰ মন্দিৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, কাজিৰঙাৰ পাণ্ডুনাথ মন্দিৰ আৰু মাজুলীৰ আউনীআটী সত্ৰক ব্ৰহ্মপুত্ৰ জলপথেৰে সংযোগ কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই ঘোষণাৰ পাছত ৰাজ্য চৰকাৰে এই কাম আৰম্ভ কৰাৰ বাবে সাজু হৈছে। এই প্ৰকল্পৰ বাবদ ৬৪৫ কোটি ৫৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনক অধিক উজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে বুলি মন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰিছে।

০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণে জ্যেষ্ঠ নাগৰিকসকলৰ বাবে গ্ৰহণ কৰা আঁচনি সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এটা অনুষ্ঠানৰ আয়োজন কৰিছে। দৰং জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত নৱ দৃষ্টি নামৰ নেত্ৰদান প্ৰকল্প এটা শুভাৰম্ভ কৰা হ'ব। তদুপৰি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নতুন ইউটিউব চেনেল আৰু শীৰ্ষ গীত মুকলি কৰা হ'ব। আনহাতে এই অনুষ্ঠানতে জ্যেষ্ঠ নাগৰিকসকলৰ মাজত শ্ৰৱণ যন্ত্ৰ, আয়ুষ্মান ভাৰত স্বাস্থ্য কাৰ্ড বিতৰণ কৰা হ'ব।

০০০

সমাপ্ত